# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-06-2024
**Time :** 0900 Hrs

# *Assamese Morning Bulletin*
# HEADLINES

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি দেশৰ পি এম কিষাণ আঁচনিৰ সোঁতৰ সংখ্যক কিস্তিৰ ধন দেশৰ প্ৰায় ১০ কোটি কৃষকক আনুষ্ঠানিকভাৱে প্ৰদান।

২।	নতুন দিল্লীত মণিপুৰৰ নিৰাপত্তা পৰিস্থিতি পৰ্যালোচনা কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ শান্তি স্থাপনৰ বাবে কুকী আৰু মেইটেৰ সৈতে আলোচনা কৰাৰ সিদ্ধান্ত ।

৩।	ৰাজ্যৰ বান পৰিস্থিতিৰ জটিল ৰূপ ধাৰণ। নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১৪ জিলাৰ এক লাখ লোক বানত ক্ষতিগ্ৰস্ত।

৪।	গুৱাহাটীৰ ১২১ কিলোমিটাৰ দৈৰ্ঘ্য ৰিংৰোড নিৰ্মাণৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষৰ চাৰিহাজাৰ ৬১৭ কোটি টকাৰ প্ৰকল্পৰ অনুমোদন। *আৰু*

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত জয়ৰ ৰেষ্ট ইণ্ডিজৰ আফগানিস্তানক ২১৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ সংসদীয় সমষ্টি বাৰাণসী ভ্ৰমণ কৰিব। তাত তেওঁ দেশৰ প্ৰায় ৯ কোটি ২৬ লাখ কৃষকলৈ পি এম কিষাণ আঁচনিৰ ১৭ সংখ্যক কিস্তিৰ ২০ হাজাৰ কোটি টকাতকৈও অধিক ধনৰাশি আনুষ্ঠানিকভাৱে মোকলাই দিব। তৃতীয়বাৰৰ বাবে জনসাধাৰণৰ অন্তৰ জয় কৰা প্ৰধানমন্ত্ৰী মোদীক আদৰিবলৈ সমগ্ৰ কাশী চহৰখনে আগ্ৰহেৰে বাট চাই আছে। দেশৰ প্ৰধানমন্ত্ৰী হিচাপে একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে শপতগ্ৰহণ কৰাৰ পাছত এয়া হ'ব শ্ৰীমোদীৰ প্ৰথমটো বাৰাণসী ভ্ৰমণ। আজি সন্ধিয়া কাশীত উপস্থিত হোৱাৰ পাছত তেওঁ বাৰাণসীৰ মেহন্দিগঞ্জত আয়োজিত পি এম কিষাণ সন্মান সন্মিলনত অংশগ্ৰহণ কৰিব। এই সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে কিছু সংখ্যক কৃষকক সাক্ষাৎ কৰি তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ বিষয়ে পৰ্যালোচনা কৰাৰ কথা আছে। তৃতীয়টো কাৰ্যকালৰ আৰম্ভণিতে তেওঁ স্বাক্ষৰ কৰা প্ৰথমটো ফাইলৰ জৰিয়তে পি এম কিষাণ নিধিৰ সপ্তদশ কিস্তি মোকলাই দিয়াটোৱে কৃষকসকলৰ কল্যাণৰ বাবে চৰকাৰৰ দায়বদ্ধতাকে প্ৰতিফলিত কৰিছে আৰু প্ৰধানমন্ত্ৰী হিচাপে এইবাৰৰ প্ৰথমখন বৃহৎ জনসভাত কৃষকসকলৰ বিষয়সমূহৰ ওপৰতেই বিশেষভাৱে আলোকপাত কৰা হৈছে। আজিৰ এই কাৰ্যসূচীতেই প্ৰধানমন্ত্ৰীয়ে বিভিন্ন আত্মসহায়ক গোটৰ ৩০ হাজাৰৰো অধিক মহিলাক কৃষি সখী হিচাপে প্ৰমাণপত্ৰ প্ৰদান কৰিব। প্ৰধানমন্ত্ৰীয়ে দশশ্বামেধ ঘাটত গংগা আৰতিত ভাগ লোৱাৰো কথা আছে। ইয়াৰ পাছত তেওঁ কাশী বিশ্বনাথ মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা আগবঢ়াব। আজি নিশাটো তেওঁৰ সংসদীয় সমষ্টিতে কটাই প্ৰধানমন্ত্ৰী কাইলৈ পুৱা তাৰ পৰা ৰাওনা হ'ব।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, মণিপুৰৰ সকলো জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। নতুন দিল্লীত কালি মণিপুৰৰ নিৰাপত্তা পৰিস্থিতি পৰ্যালোচনা কৰাৰ বাবে আয়োজন এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰি শ্ৰীশ্বাহে কয় যে, গৃহ মন্ত্ৰালয়ে ৰাজ্যখনৰ জাতিগত বিভেদ দূৰ কৰাৰ উদ্দেশ্যে মেইতে আৰু কুকী- দুয়োটা গোটৰ সৈতে শীঘ্ৰেই আলোচনা কৰিব। তেওঁ মণিপুৰত শান্তি শৃংখলা পুনৰ ঘূৰাই অনাৰ বাবে কেন্দ্ৰীয় বাহিনীৰ কৌশলগত নিয়োগত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰয়োজন সাপেক্ষে ৰাজ্যখনত অধিক বাহিনী নিয়োগ কৰা হ'ব। শ্ৰীশ্বাহে ৰাজ্যখনত হিংসাত্মক কাৰ্যত উচতনি যোগোৱা লোকসকলৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে। তেওঁ কয় যে, ৰাজ্যখনৰ নিৰাপত্তা পৰিস্থিতি শক্তিশালী কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে মণিপুৰ চৰকাৰক সক্ৰিয়ভাৱে সমৰ্থন আগবঢ়াই আহিছে।

গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ আশ্ৰয় শিবিৰসমূহৰ পৰিস্থিতি বিশেষকৈ খাদ্য, পানী, ঔষধ আৰু অন্যান্য মৌলিক প্ৰয়োজনীয় সা-সুবিধাসমূহৰ উপলভ্যতাৰ বিষয়েও পৰ্যালোচনা কৰে। শ্ৰীশ্বাহে স্থানান্তৰিত লোকসকলৰ বাবে উপযুক্ত

স্বাস্থ্য আৰু শিক্ষাৰ সুবিধাৰ লগতে তেওঁলোকৰ পুনৰ সংস্থাপন সুনিশ্চিত কৰিবলৈ মণিপুৰৰ মুখ্য সচিবক নিৰ্দেশ দিয়ে।

কালিৰ বৈঠকত কেন্দ্ৰীয় গৃহ সচিব অজয় ভাল্লা, ইণ্টেলিজেন্স ব্যুৰ'ৰ মুৰব্বী তপন ডেকা, স্থলসেনাৰ মুৰব্বী মনোজ পাণ্ডে, মণিপুৰৰ আৰক্ষী সঞ্চালক প্ৰধান ৰাজীৱ সিং আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলেও অংশগ্ৰহণ কৰে।

০০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত পুনৰ বানৰ আশংকাই দেখা দিছে। বিভিন্ন প্ৰান্তত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত পুনৰ ভালেমান অঞ্চল বাঢ়নি পানীয়ে বুৰাই পেলাইছে। এই পৰ্যন্ত ৰাজ্যৰ ১৪ খন জিলাৰ এক লাখ লোক বানত ক্ষতিগ্ৰস্ত হৈছে। কোকৰাঝাৰ, নলবাৰী, কৰিমগঞ্জত বিগত ২৪ ঘণ্টাত প্ৰবল বৃষ্টিপাতৰ ফলত বান পৰিস্থিতি অবনতি ঘটিছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগে প্ৰকাশ কৰা অনুসৰি ৰাজ্যত তিনিশৰো অধিক গাঁও বানৰ কবলত পৰিছে। বানত তামুলপুৰ, বঙাইগাঁও, কৰিমগঞ্জ, লখিমপুৰ, ওডালগুৰি, দৰং, ধেমাজি, নগাঁও, হোজাই, চিৰাং, বৰপেটা, বাক্সা, নলবাৰী, গোৱালপাৰা জিলা ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হৈছে। কৰিমগঞ্জ জিলাৰ বান পৰিস্থিতিয়ে অধিক জটিল ৰূপ ধাৰণ কৰিছে। জিলাখনৰ ৯০ হাজাৰ লোক বানত ক্ষতিগ্ৰস্ত হৈছে। নগাঁৱত চাৰিহাজাৰ ৯৮২ জন, ধেমাজিত তিনি হাজাৰ ৬২১ জন লোক বানত ক্ষতিগ্ৰস্ত হৈছে। এই পৰ্যন্ত এহেজাৰ পাঁচ হেক্টৰ কৃষি ভূমিৰ কৃষি শস্য বানত বুৰ গৈছে। গুৱাহাটী বতৰ বিজ্ঞান কেন্দ্ৰই ওদাৰগুৰি, দৰং, মৰিগাঁও, নগাঁও, গোলাঘাট আৰু কাৰ্বি আংলং জিলাত প্ৰবল বৃষ্টিপাতৰ আগজাননী দিছে। ৰাজ্যৰ কেইবাটাও নদীৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ থকা বুলি  দুৰ্যোগ প্ৰশমন বিভাগে প্ৰকাশ কৰিছে। দুধনৈ, পুথিমাৰী, ধনশিৰি, কপিলি, পাগলাদিয়া নদীৰ জলস্তৰ বৃদ্ধি পাইছে। উজনি অসমৰ ব্ৰহ্মপুত্ৰৰ উপনৈ দিচাং, দিখৌ, বুঢ়ী দিহিঙৰ জলস্তৰো দ্ৰুতগতিত বৃদ্ধি পাইছে। দুই-এদিনতে সোৱণশিৰি জলস্তৰো বৃদ্ধি হ'ব বুলি আশা কৰা হৈছে।

নগাঁও জিলাৰ কামপুৰত কপিলী নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত কামপুৰ এলেকা পুনৰ বানৰ কৱলত পৰাৰ আশংকাই দেখা দিছে। নগাঁও জিলা প্ৰশাসনে অঞ্চলটোৰ নৈপৰীয়া ৰাইজক সজাগ হৈ থাকিবলৈ সতৰ্কতা জাৰি কৰিছে। ইপিনে, কপিলী নৈৰ বানে হোজাই জিলাৰ কেইবাখনো গাঁও বুৰাই পেলাইছে। জিলাখনৰ থেপ্লাগুৰি, যাঠিহুৰা, হাতীমৰা, নভঙাকে ধৰি কেইবাখনো গাঁও বানে বুৰাই পেলাইছে। মঙলদৈৰ বাঁহজানীত নোৱা নৈৰ পূব দিশৰ মথাউৰি ছিগি যোৱাৰ ফলত কমেও ১০ খন গাঁও প্লাৱিত হৈছে। পূব বাঁহজানী, পশ্চিম বাঁহজানী, দলৈচুবা, কমাৰপাৰাকে ধৰি গাঁওখনৰ খেতিপথাৰ বানত বুৰ যোৱাৰ লগতে বাসগৃহত পানী সোমোৱাৰ ফলত জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈছে। ইপিনে, গুৱাহাটী আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আজি আৰু কাইলৈ ৰাজ্যখনত বিজুলী-ঢেৰেকণিৰ সৈতে ধাৰাসাৰ বৰষুণৰ আশংকা কৰি ৰেড এলাৰ্ট জাৰি কৰিছে।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ বাবে ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি অব্যাহত আছে। বিভিন্ন জিলা প্ৰশাসনে যোগ দিৱস উদযাপনৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। এইবাৰৰ যোগ দিৱসৰ বিষয় হৈছে- নিজৰ লগতে সমাজৰ বাবে যোগ। পৰিৱৰ্তিত জীৱনশৈলী, মানসিক চাপ দূৰীকৰণ আৰু শৰীৰটো সুস্থ কৰি ৰখাৰ ক্ষেত্ৰত যোগৰ ভূমিকা অপৰিসীম।

০০০০০০

অহা ২১ জুনত দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ উদযাপনৰ সৈতে জড়িত ৭ দিনীয়া ক্ষণগণনা কাৰ্যসূচীৰ চতুৰ্থ দিনা কালি ৰাষ্ট্ৰীয় আয়ুষ মিছন, অসমৰ উদ্যোগত যোগাসনৰ কাৰ্যসূচী অনুষ্ঠিত হয়। তেজপুৰৰ নৰ্থ ইষ্টাৰ্ণ ৰিজনেল ইনষ্টিটিউট অব ৱাটাৰ এণ্ড মেনেজমেণ্টত অনুষ্ঠিত এই কাৰ্যসূচীত প্ৰতিষ্ঠানটিৰ বিষয়াকে ধৰি  এশৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত দৈনন্দিন জীৱনত সুস্থ জীৱনশৈলী সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। দশম আন্তৰ্জাতিক যোগ দিৱসৰ ক্ষণগণনা কাৰ্যসূচীৰ লগত সংগতি ৰাখি কালি এটা সংগীতানুষ্ঠান অনুষ্ঠিত হয়।

০০০০০

নিউ জলপাইগুৰি সমীপত কালি সংঘটিত ৰে'ল দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত উত্তৰ পূৱ সীমান্ত ৰে'লৱেই কেইবাখনো ৰে'লৰ চলাচল বাতিল কৰাৰ লগতে আন কেইবাখনো ৰে'লৰ গতিপথ সলনি আৰু যাত্ৰাৰ সময় পুনৰনিৰ্ধাৰণ কৰিছে। সেই অনুসৰি কাটিহাৰ শিলিগুৰি ইণ্টাৰচিটি এক্সপ্ৰেছ  আৰু নিউ জলপাইগুৰি হাওৰা শতাব্দী এক্সপ্ৰেছৰ আৰম্ভণি আৰু উভতনি যাত্ৰাৰ লগতে শিলিগুৰি যোগবাণী ইণ্টাৰচিটি এক্সপ্ৰেছ আজিৰ যাত্ৰা বাতিল কৰা হৈছে। ইপিনে, নিউ জলপাইগুৰি-নিউ দিল্লী চুপাৰফাষ্ট এক্সপ্ৰেছে পুনৰনিৰ্ধাৰিত সময় অনুসৰি আজি দিনৰ ১২ বজাত যাত্ৰা আৰম্ভ কৰিব। আনহাতে, নিউ জলপাইগুৰি-নিউ দিল্লী চুপাৰফাষ্ট এক্সপ্ৰেছৰ যাত্ৰাপথ সলনি কৰি আলোৱাবাৰী-শিলিগুৰি-নিউ জলপাইগুৰি ৰে'লপথেৰে যাতায়াত নিৰ্ধাৰণ কৰা হৈছে।

উল্লেখযোগ্য যে ভাৰত চৰকাৰৰ অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ অধীনৰ উত্তৰ পূব সীমান্ত ৰে'লৰেৰ ৰে'ল সুৰক্ষা বিভাগৰ মুখ্য আয়ুক্ত শ্ৰী জনক কুমাৰ গাৰ্গে কালি সংঘটিত ৰে'ল দুৰ্ঘটনা সন্দৰ্ভত তদন্ত কৰিব। এই দুৰ্ঘটনা সন্দৰ্ভত বিতংভাৱে জ্ঞাত লোকসকলক উপযুক্ত প্ৰমাণসহ **চীফ কমিছনাৰ অৰ ৰে'লৰে চেফটি, নৰ্ডাৰ্ণ চাৰ্কল ছাফডৰ্জং ৰে'লৰে ষ্টেচন বিল্ডিং চাণক্যপুৰী, নিউ দিল্লী ১১০০২১ত যোগাযোগ কৰি** তদন্ত কাৰ্যত সহায় আগবঢ়াবলৈ অনুৰোধ জনোৱা হৈছে।

০০০০০০

ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে ১২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৱাহাটী ৰিং ৰোডৰ প্ৰাক্কলনৰ চূড়ান্ত ৰূপ দিছে। প্ৰাস্তাৱিত ৰিং ৰোডৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে চাৰিহাজাৰ ৬১৭ কোটি টকা ধাৰ্য কৰিছে। ইয়াৰ পূৰ্বে ভাৰত চৰকাৰে প্ৰস্তাৱিত গুৱাহাটী ৰিং ৰোড নিৰ্মাণৰ দায়িত্ব ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণৰ ওপৰত অৰ্পণ কৰিছিল। এই দায়িত্ব লাভ পাছত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে গুৱাহাটী ৰিং ৰোড নিৰ্মাণৰ প্ৰকল্পক তিনিটা ভাগত বিভক্ত কৰিছে। প্ৰথমটো হৈছে চাৰিলেন যুক্ত ৫৫ দশমিক ৫-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ গুৱাহাটী বাইপাছ। এই পথছোৱা বাইহাটা চাৰিআলিৰ পৰা কুৰুৱাহৈ চন্দ্ৰপুৰ আৰু সোণাপুৰক সংযোগ কৰিব। দ্বিতীয় পথছোৱা গুৱাহাটীৰ জয়ানগৰৰ পৰা যোৰাবাটক সংযোগী পথ। এই পথছোৱাও ছয়লেনলৈ সম্প্ৰসাৰণ কৰা হ'ব। উল্লেখযোগ্য যে, অভিলাসী এই প্ৰকল্প সম্পূৰ্ণ হৈ উঠিলে গুৱাহাটীৰ যানজঁটৰ সমস্যা বহু পৰিমাণে লাঘৱ হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দুগৰাকী অতিৰিক্ত ন্যায়াধীশ সুস্মিতা ফুকন খাউণ্ড আৰু মিতালী ঠাকুৰীয়াই আজি ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰিব। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ১ নম্বৰ আদালত কক্ষত আয়োজিত এটা অনুষ্ঠানত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই দুয়োগৰাকীক অতিৰিক্ত ন্যায়াধীশ হিচাপে শপতবাক্য পাঠ কৰোৱাব। উল্লেখযোগ্য যে, কেন্দ্ৰীয় চৰকাৰৰ আইন আৰু ন্যায় মন্ত্ৰালয়ে যোৱা ১১ জুনত অতিৰিক্ত ন্যায়াধীশ সুস্মিতা ফুকন খাউণ্ড আৰু মিতালী ঠাকুৰীয়াক ন্যায়াধীশ হিচাপে নিযুক্তি প্ৰদান কৰিছিল। ইয়াৰ পূৰ্বে উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে দুয়োগৰাকী অতিৰিক্ত ন্যায়াধীশক ন্যায়াধীশ হিচাপে নিযুক্তিত অনুমোদন জনাইছিল।

০০০০০০

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত পৰহিলৈ দৰং মহাবিদ্যালয় প্ৰেক্ষাগৃহত কেন্দ্ৰীয়ভাৱে চলিত বছৰৰ বিষ্ণুৰাভা দিৱস উদযাপন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত অংশ লৈ বিশিষ্ট লোকশিল্পী ধৰ্মেশ্বৰ নাথ আৰু চিত্ৰশিল্পী দুৰ্লভ ভট্টাচাৰ্যক ২০২৪ বৰ্ষৰ বিষ্ণুৰাভা বঁটাৰে সন্মানিত কৰিব। তদুপৰি অসমৰ কলা-সংস্কৃতি, সমাজ আৰু সাহিত্য জগতলৈ অমূল্য অৱদান আগবঢ়াই অহা ৯ গৰাকী স্বনামধন্য ব্যক্তিক এটা ৰাষ্ট্ৰীয় আৰু ৮টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰে সন্মানিত কৰা হ'ব। ২০২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আজানপীৰ বঁটা প্ৰবীণ চলচ্চিত্ৰ নিৰ্মাতা আনোৱাৰ হুছেইনক প্ৰদান কৰা হ'ব। আনহাতে, ৮টা ৰাজ্যিক পৰ্যায়ৰ বঁটা ক্ৰমে চলিত বছৰৰ গীতি কবি পাৰ্বতী প্ৰসাদ বৰুৱা বঁটা, সংগীত শিল্পী স্বাশ্বতী ভট্টাচাৰ্যক, অমল প্ৰভা দাস বঁটা শিক্ষয়িত্ৰী তথা শিল্পী বন্দনা দত্তক চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা, বিশিষ্ট সমাজসেৱিকা ড° সুনীতা চাংকাকতিক আৰু মামণি ৰয়চম গোস্বামী বঁটা বিশিষ্ট সাহিত্যিক ড° কৰবী ডেকা হাজৰিকাক প্ৰদান কৰা হ'ব। একেদৰে চলিত বছৰৰ চৈয়দ আব্দুল মালিক বঁটা সাহিত্যিক জয়ন্ত মাধৱ বৰাক, আহমদ আলী বাঁশকান্দী বঁটা তৰেন চন্দ্ৰ বড়োক, গণেশ গগৈ বঁটা বিশিষ্ট কবি আনিজ উজ জামানক আৰু বীৰ ৰাঘৱ মৰাণ বঁটা সাহিত্যিক, সমাজসেৱী জীৱেশ্বৰ মহনক প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি সেইদিনা দিনৰ ১০ বজাৰ পৰা বিষ্ণু প্ৰসাদ ৰাভাৰ গীত আৰু কবিতাৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ছেণ্ট লুছিয়াৰ ডেৰেন ছাম্মি নেচনেল ক্ৰিকেট ষ্টেডিয়ামত ৱেষ্ট ইণ্ডিজে আফগানিস্তানক ২১৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। এই বাতৰি যুগুতোৱাৰ পৰলৈকে আফগানিস্তানক ১৪ অ'ভাৰত ৭টা উইকেট হেৰুৱাই ৯৭ ৰান কৰি খেলি আছে।

ইফালে, কালি সন্ধিয়া ত্ৰিনিদাদৰ ব্ৰায়েন লাৰা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত নিউজিলেণ্ডে পাপুৱা নিউ গিনিক ৭ উইকেটত পৰাজিত কৰে। খেলখনত নিউজিলেণ্ডে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈ পাপুৱা নিউ গিনিক ১৯ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৭৮ ৰান সংগ্ৰহ কৰে।

০০০০০০০০

পশ্চিমবংগৰ ৰাঙাপানী ষ্টেচনত ভয়াৱহ ৰে'ল দুৰ্ঘটনা, মালবাহী ৰে'লৰ প্ৰচণ্ড খুন্দাত উফৰিল কাঞ্চনজংঘা শীৰ্ষক বাতৰিটো দৈনিক জনমভূমি কাকতে নিউ জলপাইগুৰিৰ সমীপত ভয়াৱহ দুৰ্ঘটনা, কাঞ্চনজংঘাত খুন্দা, নিহত ১৫। অসমীয়া প্ৰতিদিন কাকতে তচনচ কাঞ্চনজংঘা এক্সপ্ৰেছ্। দৈনিক অসম কাকতে চলন্ত কাঞ্চনজংঘাত মালবাহী ৰে'লৰ খুন্দা। আমাৰ অসম কাকতে ব্যৰ্থ বন্দে ভাৰতৰ বলি কাঞ্চনজংঘা, অসমীয়া খবৰ কাকতে ভয়ংকৰ দুৰ্ঘটনাত পতিত কাঞ্চনজংঘা শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে। দৈনিক জনমভূমি কাকতে নীটৰ প্ৰশ্ন ফাদিলৰ মূল খলনায়কৰ সন্ধান উলিয়াইছে আৰক্ষীয়ে শীৰ্ষক এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ২০২৫ৰ এপ্ৰিলৰ ভিতৰত ৰাজ্যবাসীয়ে পাব জিএমচিএইছ্ৰ নতুন মাতৃ-শিশু চিকিৎসালয় শিৰোনামৰ এটা বাতৰি অসমীয়া খবৰ আৰু নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ১১ গৰাকী বিশিষ্ট শিল্পী-সাহিত্যিক-সমাজকৰ্মীলৈ ৰাজ্য চৰকাৰৰ বঁটা শীৰ্ষক এটা বাতৰি দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

Floods hit over 1 lakh people in 14 districts in state শিৰোনামৰ এটা বাতৰিক **The Assam Tribune** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰাৰ বিপৰীতে একেটা বাতৰিকে **The Sentinel** কাকতে Flood situation worsens -red alert upto june 19 শিৰোনামেৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে-বেলটেৰে হ'ব ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচন, কিউবাৰ ৰাষ্ট্ৰদূত পদত অসম সন্তান টি আৰ্মষ্ট্ৰং চাংছন, দ্বাদশ শ্ৰেণীৰ পাছত একাদশ শ্ৰেণীৰ পাঠ্যক্ৰমৰ সাল-সলনি এনচিইআৰটি, বিশ্বৰ বজাৰলৈ অসমৰ আদা-হালধি-নেমু ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।